জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩০৭/২০২১

# উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে শুভ উদ্বোধন কৰিলে পেট-এমআৰআই শাখা

## এই পেট-এমআৰআই শাখাই উত্তৰ পূৰ্বাঞ্চলৰ কৰ্কট ৰোগীসকললৈ বৃহৎ সেৱা আগবঢ়াবলৈ সক্ষম হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ অক্টোবৰ ঃ** উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত পোন-প্ৰথম বাৰৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত পেট-এমআৰআই শাখাৰ শুভ উদ্বোধন কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অসম চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণৰ বাবে উন্নত স্বাস্থ্য সেৱা প্ৰযুক্তি উপলব্ধ কৰাৰ বাবে সদায়ে চেষ্টা কৰি আহিছে। নতুনকৈ উদ্বোধন কৰা এই পেট-এমআৰআই শাখাই অঞ্চলটোত কৰ্কট ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে সহায়ক হ'ব। মুঠ ৬২ কোটি টকা ব্যয় সাপেক্ষে স্থাপিত এইটো হৈছে 'টাইম অফ ফ্লাইট' প্ৰযুক্তিৰে সজ্জিত চৰকাৰী খণ্ডৰ চিকিৎসালয়ত স্থাপন কৰা ভাৰতবৰ্ষৰ চতুৰ্থ পেট-এমআৰআই আৰু কৰ্কট ৰোগৰ উন্নত গৱেষণামূলক কাৰ্যৰ ক্ষেত্ৰত এই সেৱা অতিশয় আৱশ্যকীয় বুলি তেওঁ কয়।

টাটা ট্ৰাষ্টৰ সৈতে অংশীদাৰিত্বৰে স্থাপন কৰা অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ বিষয়ে অৱগত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে কৰ্কট ৰোগীসকলক সময় মতে আৰু উপযুক্ত চিকিৎসা প্ৰদান কৰাৰ বাবে এই ফাউণ্ডেশ্যনৰ জৰিয়তে ৰাজ্যখনত 'ডিষ্টিবিউটেড কেন্সাৰ কেয়াৰ মডেল' ৰূপায়ণ কৰি আছে। এই আৰ্হিৰ অধীনত এটা 'এপেক্স ৰেফাৰেল' কেন্দ্ৰ আছে যি হৈছে গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান। ইয়াক লেভেল ৱান বুলি কোৱা হয়। চৰকাৰী চিকিৎসা মহাবিদ্যালয়সমূহৰ সৈতে সংলগ্ন কেন্সাৰ হাস্পতালক লেভেল টু আৰু জিলা হাস্পতালত ৰেডিয়েশ্যনৰ সুবিধা থকা ডায়গ'নেষ্টিক এণ্ড ডে কেয়াৰ চেণ্টাৰক লেভেল থ্ৰী বুলি অভিহিত কৰা হয় বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

'ডিষ্টিবিউটেড কেন্সাৰ কেয়াৰ মডেলৰ অধীনত কৰ্কট ৰোগীসকলে ৰাজ্যৰ বাহিৰলৈ নোযোৱাকৈয়ে ঘৰৰ ওচৰতে কম খৰচতে গুণগত কৰ্কট ৰোগৰ চিকিৎসা লাভ কৰিব পাৰে তাৰ বাবে ১৮ খন কৰ্কট হাস্পতাল স্থাপনৰ বাবে পদক্ষেপ লোৱা হৈছে। ইয়ে ৰোগীসকলৰ ব্যয় যথেষ্ট পৰিমাণে হ্ৰাস কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমত প্ৰতি বছৰে ৫২ হাজাৰ নতুন কৰ্কট ৰোগী চিনাক্ত হয়। ৰাজ্য চৰকাৰে ২০১৮ চনত টাটা ট্ৰাষ্টৰ সৈতে কৰ্কট হাস্পতাল স্থাপনৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰিছিল। এই

চুক্তি অনুসৰি টাটা ট্ৰাষ্টে প্ৰয়োজনী সজুলি প্ৰদান কৰিব আৰু ৰাজ্য চৰকাৰে চিকিৎসালয় নিৰ্মাণ কৰিব। ক'ভিড মহামাৰীৰ সত্ত্বেও এই ক্ষেত্ৰত নিৰ্দ্ধাৰিত সময় সূচীতকৈ বেছি পিছপৰি থকা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই চিকিৎসালয়সমূহ ২০২২ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত কৰ্কট ৰোগীৰ সেৱাৰ বাবে কিছুমান অতি উন্নত মানৰ সজুলি যেনে টমোথেৰাপি, লিনিয়াৰ এক্সেলেৰেটৰ, এমআৰআই গাইডেট লিনিয়াৰ এক্সেলেৰেটৰ ইত্যাদি স্থাপন কৰা হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত আৰু অটল অমৃত অভিযান আঁচনিৰ সুবিধা লাভ কৰা  ৰাজ্যখনৰ দুখীয়া আৰু সুবিধা লাভৰ পৰা বঞ্চিত শ্ৰেণীৰ লোকসকলক বিনামূলীয়া কৰ্কট ৰোগৰ চিকিৎসা প্ৰদান কৰি থকা হৈছে। এনে ৰোগীৰ ৯২ শতাংশ সামৰি লোৱা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰতিখন জিলাত একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে যি ভৱিষ্য দৰ্শনৰ কথা উল্লেখ কৰিছিল। সেই দিশত কাম কৰি অসম চৰকাৰে ৰাজ্যখনৰ ২৩ খন জিলাত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কাম ইতিমধ্যে আৰম্ভ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড সংকটৰ সময়ত অসমে উত্তৰ পূৰ্বাঞ্চলৰ আন আন ৰাজ্যসমূহলৈ অক্সিজেন যোগান ধৰি সহায়ৰ হাত আগবঢ়াই আহিছে। সমগ্ৰ দেশতে থকা লোকসকল অসমলৈ অহাৰ সময়ত ৰেমডিচিভিৰ বেজি প্ৰদান কৰিছে বুলিও তেওঁ কয়। ক'ভিডৰ বাবে পিতৃ-মাতৃক হেৰুওৱা, স্বামীহাৰা হোৱা মহিলা আৰু অতিমাৰীত মৃত্যু হোৱা লোকৰ পৰিয়াললৈ ৰাজ্য চৰকাৰে বিত্তীয় সাহায্য প্ৰদান কৰিছে বুলিও তেওঁ কয়।

আজিৰ এই অনুষ্ঠানত ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, মুখ্য সচিব জিষ্ণু বৰুৱা অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাক্ষৰ / পুঃডেঃ**
**০৩-১০-২০২১**